জনসংযোগ, অসম

প্ৰেছ বাৰ্তা নং ঃ ২৫৮

# আধাৰ কাৰ্ডক ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ সৈতে সংলগ্ন সম্পৰ্কীয় সজাগতা অভিযানৰ শুভাৰম্ভ

**দিছপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** আধাৰ কাৰ্ডক ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ সৈতে সংযোগ কৰাৰ বাবে নাগৰিকৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে নিৰ্বাচনী আয়োগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে সমগ্ৰ অসমতে এই সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ কামৰূপ মহানগৰ নিৰ্বাচনী জিলা বিষয়াৰ উদ্যোগত গুৱাহাটীৰ বাণিজ্য মহাবিদ্যালয়ত আজি এক সজাগতা অভিযানৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

ৰাজ্যৰ পঞ্চাশখন নিৰ্বাচনী জিলাত বাটৰ নাট প্ৰদৰ্শন আৰু ম'বাইল এল ই ডি ভানৰ জৰিয়তে সজাগতা সৃষ্টি কৰিবলৈ লোৱা এই অভিযানৰ শুভাৰম্ভ কৰে অসমৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়েয়ে। অভিযানৰ শুভাৰম্ভ কৰি দিয়া ভাষণ প্ৰসংঙ্গত তেখেতে কয় যে- ভাৰতৰ নিৰ্বাচন আয়োগৰ তত্ত্বাৱধানত নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন তথ্যৰ লগতে নতুন ভোটাৰৰ পঞ্জীয়ন বিষয়ক ব্যৱস্থাসমূহ নাগৰিকসকলক অৱগত কৰিবলৈ প্ৰয়াস অব্যাহত আছে। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজিৰ এই পদক্ষেপ অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেখেতে আশা প্ৰকাশ কৰি ভোটাৰ তালিকাৰ সত্যাসত্য নিৰূপনৰ বাবে আধাৰ সংলগ্ন কৰিবলৈ সকলোকে আহ্বান জনায়।

সজাগতা সভাত যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া এমিলি বৰুৱা, কামৰূপৰ অতিৰিক্ত উপায়ুক্ত মৃগাংক চৌধুৰী, কামৰূপ মহানগৰৰ নিৰ্বাচনী বিষয়া শেখৰণ ফুকন, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ হোমেশ্বৰ কলিতা প্ৰমুখ্যে ভালেকেইগৰাকী বিষয়া আৰু বিদ্যাৰ্থী উপস্থিত থাকে।

**মৌ.ভ./প্ৰ.কু.দ /২৮-০৯-২০২২**